**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 18-09-2026**
**Time:** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

:::::::::::::::::::::::::::::::::::::::

০০০০

১। সেৱা সমৰ্পন মাহৰ অধীনত ৰাজ্যৰ ৮৩ হাজাৰ ২১৯ গৰাকী যুৱক-যুৱতীলৈ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আৰ্থিক সাহায্য।

২। নগাঁও উপ-নিৰ্বাচনৰ বাবে ১৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত। ৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল।

৩। বান ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাত আজি লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা পালন।

*আৰু*

৫। উত্তৰ-পূব মণ্ডল বেডমিণ্টন প্ৰতিযোগিতাৰ চিনিয়ৰ পুৰুষ-মহিলা আৰু জুনিয়ৰ ল'ৰা-ছোৱালী শাখাত অসমৰ খিতাপ অৰ্জন।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা সেৱা সমৰ্পন মাহৰ প্ৰথমটো কাৰ্যসূচী হিচাপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ ৮৩ হাজাৰ ২১৯ গৰাকী উদ্যমী যুৱক-যুৱতীক আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰে। এই উপলক্ষে খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত অংশ লৈ ডঃ শৰ্মাই যুৱ শক্তিক আত্মনিৰ্ভৰ অসমৰ আটাইতকৈ বৃহৎ শক্তি বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে অসমৰ যুৱ শক্তিৰ অন্তৰত অপাৰ সাহস, সামৰ্থ্য আৰু অসীম সম্ভাৱনা লুকাই আছে। চৰকাৰে প্ৰদান কৰা অনুদানেৰে যুৱক-যুৱতীসকলে নিজকে সফল উদ্যোগী হিচাপে প্ৰতিষ্ঠা কৰি সফলতাৰ কাহিনী সমাজত বিলাই দিবলৈ আহ্বান জনায়। যুৱচামৰ প্ৰতিটো সফলতাই অসমত ইতিবাচক পৰিৱৰ্তনৰ নতুন অধ্যায়ৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যত ঔদ্যোগিক পৰিৱেশ নিৰ্মাণৰ বাবে চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যুৱ উদ্যমীসকলক অসমত স্থাপন হোৱা বৃহৎ উদ্যোগসমূহৰ বাবে প্ৰয়োজনীয় কেঁচামাল উৎপাদনত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

০০০০

বান ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাত লোকপিয়লৰ গৃহৰ তালিকা প্ৰস্তুতৰ সময়সীমা প্ৰায় এমাহ বৃদ্ধি কৰা হৈছে। মহাপঞ্জীয়ক তথা লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়নে কালি ৰাজপত্ৰিত অধিসূচনাযোগে এই কথা সদৰি কৰি কয় যে জিলা দুখনত বাসগৃহৰ তালিকা প্ৰস্তুত আৰু গৃহ পিয়লৰ সময়সীমা ৩১ অক্টোবৰলৈ বৃদ্ধি কৰা হৈছে। অসমত বাসগৃহৰ তালিকা প্ৰস্তুতৰ কামৰ বাবে ১৫ ছেপ্তেম্বৰ অন্তিম সীমা ধাৰ্য কৰা হৈছিল যদিও বানৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ আৰু চৰাইদেউ জিলাত লোকপিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰু অন্য প্ৰস্তুতিমূলক কাম-কাজ স্থগিত ৰখা হৈছিল। ৰাজ্যৰ বাকী জিলাসমূহত গৃহ তালিকা প্ৰস্তুতৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে। চৰাইদেউ আৰু শিৱসাগৰ জিলাত আজি লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব। জিলা দুখনত মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব।

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশ হিচাপে কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী অনুষ্ঠিত হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত এই দিৱস পালন কৰা হৈছে। জুবিনক্ষেত্ৰত কালি সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। আজি সাংস্কৃতিক অনুষ্ঠান আৰু কাইলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সেইদিনা সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে প্ৰকাশ কৰি কয়, যে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজে সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে।

ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এনেদৰে কয় –

বাইট

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কাইলৈ প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত দলৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকে জাৰি কৰা জাননী অনুসৰি স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰিবলৈ লোৱা হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। পুৱাৰে পৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপ সমূহত বিশ্বখনিকৰক আৰাধনাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাৱেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰিবলৈ লোৱা হৈছে। ধুবুৰী জিলাত আজি উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা, ব্যক্তিগত প্ৰতিষ্ঠান আদিত বৈদিক নিয়মেৰে এই পূজা পালন কৰা হ'ব। এই উপলক্ষে সমগ্ৰ জিলাখনতে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। নলবাৰী জিলাৰো বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানত আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান, গেৰেজ আদিত আজি পুৱাৰে পৰা বিশ্বকৰ্মা পূজা উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

০০০০

নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে দাখিল কৰা ২৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। পৰীক্ষাৰ অন্তত বিজেপিৰ দেৱাশিস শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমল, চি পি আইৰ ইনামুল হুদাৰ লগতে মুঠ ১৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামৰ প্ৰাৰ্থিত্বৰ বিষয়টো কালি অমীমাংসিত হৈ ৰয়। বিষয়টো আজি চূড়ান্ত হ'ব। আনহাতে, মনোনয়ন পৰীক্ষণত ৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল হৈছে।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি

বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০

যোৰহাটত অনুষ্ঠিত হোৱা জিলা আয়ুক্তসকলৰ সন্মিলনত আলোচিত বিভিন্ন বিষয়, সিদ্ধান্ত আৰু নিৰ্দেশনাসমূহ জিলা পৰ্যায়ত ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে শিক্ষা বিভাগৰ বিষয়াসকলক জনোৱাৰ উদ্দেশ্যে কালি এখন সভা অনুষ্ঠিত কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে শিক্ষা বিভাগৰ বিষয়াসকলক জিলাখনত শিক্ষাখণ্ডৰ সামগ্ৰিক উন্নয়ন, চৰকাৰী আঁচনি আৰু কাৰ্যসূচীসমূহৰ ফলপ্ৰসূ ৰূপায়ণ, শিক্ষাৰ্থীসকলৰ বাবে উন্নত শৈক্ষিক পৰিৱেশ সৃষ্টি আৰু কাম-কাজসমূহ অধিক সমন্বিতভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

০০০০

শিলচৰৰ প্ৰথমটো পৌৰ নিগম নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ দুজন প্ৰাৰ্থী বিজেন্দ্ৰ প্ৰসাদ সিঙে ৯ আৰু ভক্তিসেন তালুকদাৰে আৰু ২০ নম্বৰ ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোত মুঠ ১৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰে ৩ জন কংগ্ৰেছৰ আৰু ছজন বিজেপিৰ ক্ষুব্ধ নিৰ্দলীয় প্ৰাৰ্থী। এতিয়া ৪২ টা ৱাৰ্ডত মুঠ ১৩৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০

অসম চৰকাৰে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিসকললৈ পেঞ্চন, পৰিয়াল পেঞ্চন তথা বাৰ্ষিক শিল্পী সন্মানৰ লগতে ইতিমধ্যে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা শিল্পীৰ অভাৱগ্ৰস্ত পৰিয়ালবৰ্গলৈ বিশেষ পৰিয়াল পেঞ্চন আগবঢ়াই আহিছে। ৰাজ্য চৰকাৰৰ ১৯৮৭ চনৰ শিল্পী পেঞ্চন আৰু বিশেষ পৰিয়াল পেঞ্চন সংশোধিত নিয়মাৱলীৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ শিল্পী পেঞ্চন আঁচনিৰ বাবে শিল্পীসকলৰ পৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰসহ আবেদন আহ্বান কৰা হৈছে। ইয়াৰ বাবে কালি দুপৰীয়া ১২ বজাৰ পৰা অনলাইনযোগে পঞ্জীয়ন মুকলি কৰা হৈছে। www.directorculture.assam.gov.in বা www.silpisanmanassam.com ৱেবছাইটত অনলাইনযোগে ১০ অক্টোবৰৰ মাজনিশা পৰ্যন্ত পঞ্জীয়ন কৰিব পাৰিব। নিৰ্দিষ্ট তাৰিখৰ পাছত অথবা অফলাইনযোগে দাখিল কৰা আবেদন গ্ৰহণযোগ্য বুলি বিবেচিত নহ'ব। সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ সাংস্কৃতিক কেন্দ্ৰসমূহৰ দায়িত্বত থকা সাংস্কৃতিক উন্নয়ন বিষয়া অথবা নিম্নবৰ্গৰ সহায়কসকলে সংশ্লিষ্ট জিলাখনৰ ইচ্ছুক দিব্যাংগ আৰু শয্যাগত শিল্পীসকলৰ ঘৰলৈ গৈ অনলাইন আবেদন দাখিল কৰাত সহায় কৰিব। সংশ্লিষ্ট সাংস্কৃতিক উন্নয়ন বিষয়া অথবা নিম্নবৰ্গৰ সহায়কসকলৰ নাম আৰু যোগাযোগ নম্বৰ উপলব্ধ হ'ব। বিতং তথ্যৰ বাবে ৯৪০১১-৮৩৯৯৬ ম'বাইল নম্বৰত পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ অথবা silpipensiondca@gmail.com ত ই-মেইলযোগে যোগাযোগ কৰিব পাৰিব।

০০০০

দুলীয়াজানৰ নাওশলীয়া বৰকলা মাজগাঁও পথাৰত অহা ৩১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া অসম সাহিত্য সভাৰ দ্বিবাৰ্ষিক অধিবেশনৰ পতাকা উত্তোলনস্থলীত ২৫ সহস্ৰাধিক পুৰুষ-মহিলাই জাতীয় সংগীত পৰিবেশন কৰিব। অষ্টসপ্ততিতম দ্বিবাৰ্ষিক দুলীয়াজান অধিবেশনৰ আদৰণি সমিতিয়ে কালি এখন সংবাদ মেলত এই কথা  সদৰি কৰে। উদ্যোক্তা সমিতিয়ে প্ৰকাশ কৰা মতে টাই আহোমৰ ধৰ্মীয় পৰম্পৰা মেডাম-মেহফিৰে এই অধিবেশনৰ আৰম্ভণি হ'ব। পহিলা ফেব্ৰুৱাৰীত অসম সাহিত্য সভাই ১১১ বছৰৰ ভৰি দিয়া উপলক্ষে মূল পতাকা সহ ১১১খন পতাকা উত্তোলন কৰা হ'ব। অধিবেশনৰ বাবে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাত ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ পৰম্পৰা আৰু ঐতিহ্য প্ৰতিফলিত কৰাৰ ব্যৱস্থা লোৱা হৈছে বুলি উদ্যোক্তা সমিতিয়ে জানিবলৈ দিয়ে। তেওঁলোকে কয় যে অধিবেশনত ৭০০ পৃষ্ঠাৰ স্মৃতিগ্ৰন্থৰ লগতে ১১১খন বিভিন্ন গ্ৰন্থও প্ৰকাশ কৰি উলিওৱা হ'ব। দুলীয়াজান অধিবেশনত নতুনকৈ অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু হিতৈষী সদস্যসকলৰ সৈতে বিশেষ আলোচনাচক্ৰ সংযোজন হ'ব বুলিও সমিতিয়ে প্ৰকাশ কৰে।

০০০০

লখিমপুৰৰ মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰৰ ৭৫ বিঘা ভূমিত ৩৫২টা ধানৰ জাত সংৰোপন কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰক্ৰিয়াৰ জৰিয়তে আধুনিক জাতৰ ধানৰ লগতে ২৩৫ বিধ বাওধানৰ জাতও সংৰক্ষণ কৰা হৈছে। ইয়াৰে

ভিতৰত ১৩৫ বিধ বাওধানেই ৰঙা চাউলযুক্ত আৰু এই চাউলসমূহ বিদেশলৈ ৰপ্তানি কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। লখিমপুৰ মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ড০ প্ৰবাস শইকীয়াই কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰটোৱে প্ৰতি বছৰে উন্নত জাতৰ উদ্ভাৱন কৰাৰ লগতে থলুৱা প্ৰজাতিৰ আৰু আধুনিক জাতৰ ধান সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

০০০০

ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন এন ডি এ চৰকাৰৰ কাৰ্যকালত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যত যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিৱৰ্তন সাধন হৈছে। বহু প্ৰতীক্ষিত ধলা-শদিয়া সংযোগী ড০ ভূপেন হাজৰিকা সেতু মুকলিৰ পাছত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা হৈছে। এই দলংখন মুকলি হোৱাৰ লগে লগে উজনি অসমৰ লগতে অৰুণাচল প্ৰদেশৰ আৰ্থ-সামাজিক, ঔদ্যোগিক, জনস্বাস্থ্য আৰু শৈক্ষিক ক্ষেত্ৰত লক্ষণীয় পৰিৱৰ্তন দেখা হৈছে। ২০১৭ চনৰ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। ৯ দশমিক ১-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখন উদ্বোধন কৰাৰ পাছত অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত যাত্ৰাৰ সময় ৬ ঘণ্টাৰ পৰা এঘণ্টালৈ হ্ৰাস পাইছে। ৬০ টন সামৰিক টন ওজনৰ টেংক পৰিবহন কৰিব পৰা চীন সীমান্তৰ সমীপৰ এই দলংখন প্ৰতিৰক্ষাৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ।

০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। প্ৰধানমন্ত্ৰী **নৰেন্দ্ৰ মোদীৰ ৭৬ সংখ্যক জন্মদিন** আৰু তেওঁৰ ২৫ বছৰীয়া জনসেৱাক স্মৰণীয় কৰিবলৈ সমগ্ৰ দেশজুৰি **'আশীৰ্বাদৰ বন্তি' শীৰ্ষক** কাৰ্যসূচী ৰূপায়ন কৰা হয়। ভাৰতীয় জনতা পাৰ্টী আৰু বিভিন্ন ৰাজ্যৰ চৰকাৰৰ উদ্যোগত এই বিশেষ অভিযান চলোৱা হয়। নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনামঃ **প্ৰধানমন্ত্ৰী মোডীৰ ৭৬বছৰীয়া জন্মদিনত আশীৰ্বাদ বন্তিৰে উজ্বলিল সমগ্ৰ দেশ।**

সোণাপুৰৰ জুবিন ক্ষেত্ৰত কালিৰে পৰা 'জুবিন দিৱস' আৰম্ভ হৈছে। জুবিন গাৰ্গৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে তেখেতৰ স্মৃতিত এই বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেশ্যন, জুবিন গাৰ্গ ন্যাস, পৰিয়াল আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত ১৭ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰলৈকে এই **তিনিদিনীয়া কাৰ্যসূচী** অনুষ্ঠিত কৰা **হৈছে। দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি, অসমীয়া খবৰ, দৈনিক অসম কাকতে** এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

'ৰাইজৰ দল'ৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক **অখিল গগৈয়ে দিছপুৰত** লোক সেৱা ভৱনৰ সন্মুখত কালি প্ৰতিবাদ সাব্যস্ত কৰে। উজনিৰ তিনিখন প্ৰলয়গ্ৰস্ত জিলাৰ বানপীড়িতসকলৰ বাবে চৰকাৰে কোনো ধৰণৰ ফলপ্ৰসূ পদক্ষেপ বা সাহায্য আগবঢ়োৱা নাই বুলি অভিযোগ তুলি শিৱসাগৰৰ বিধায়কগৰাকীয়ে এই প্ৰতিবাদ সাব্যস্ত কৰা বাতৰিটো আমাৰ অসম কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

গুৱাহাটীৰ ঐতিহ্যমণ্ডিত **কটন বিশ্ববিদ্যালয়ত** শেহতীয়াভাৱে বিভিন্ন প্ৰশাসনিক খেলিমেলি আৰু ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধানত হোৱা বিলম্বক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। বিশ্ববিদ্যালয়খনত চলি থকা এই খেলিমেলি আৰু ক্ষোভৰ বাবেই ছাত্ৰ-ছাত্ৰীসকলে **উপাচাৰ্যৰ** কাৰ্যালয় ঘেৰাও কৰি কালি প্ৰতিবাদ সাব্যস্ত কৰিছে। অসমীয়া প্ৰতিদিন কাকতত এই বাতৰিটোৱে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ শিৰোনাম দখল কৰিছে।

আমেৰিকাৰ হাউচ অৱ ৰিপ্ৰেজেন্টেটিভে ৰাছিয়া আৰু ইৰানৰ ওপৰত নিষেধাজ্ঞা বৃদ্ধি কৰাৰ উদ্দেশ্যে এখন গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত কৰিছে। বিধেয়কখনৰ বাবে **ভাৰত পোনপটীয়াকৈ প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে,** কিয়নো ইয়াত ৰাছিয়াৰ পৰা খাৰুৱা তেল আৰু গেছ ক্ৰয় কৰা দেশসমূহৰ ওপৰত ১০০ শতাংশ পৰ্যন্ত

আমদানি শুল্ক আৰোপ কৰাৰ ক্ষমতা আমেৰিকাৰ ৰাষ্ট্ৰপতিক প্ৰদান কৰা হৈছে। দি আচাম ট্ৰিবিউন কাকতত এই বাতৰিটোৱে মুখ্য বাতৰিৰ স্থান লাভ কৰিছে।

০০০০

অসমে মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত উত্তৰ-পূব মণ্ডল বেডমিণ্টন প্ৰতিযোগিতাৰ চিনিয়ৰ পুৰুষ-মহিলা আৰু জুনিয়ৰ ল'ৰা-ছোৱালী শাখাত খিতাপ অৰ্জন কৰিছে। প্ৰতিযোগিতাখনত চাৰিটা দলীয় শাখাত স্বৰ্ণপদক দখল কৰা অসমে চিনিয়ৰ পুৰুষ-মহিলা শাখাত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ সুবাদত অহা বছৰ মেঘালয়ত হ'বলগীয়া ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়ালৈও যোগ্যতা অৰ্জন কৰিছে। অসমে কালি পুৰুষৰ দলীয় শাখাৰ ফাইনেলত মণিপুৰক ৩-১ ফলাফলত পৰাস্ত কৰে। অসমৰ শুভাংকৰ দত্তই ছিংগলছৰ প্ৰথমখন খেলত মণিপুৰৰ মালেমেংবা সিং মাৰৰ হাতত ১৩-১৫, ১৩-১৫ গেমত পৰাজিত হোৱাৰ পাছত ছিংগলছৰ দ্বিতীয়খন খেলত তন্ময় বিকাশ বিকাশ বৰুৱাই মণিপুৰৰ মাৰ্টিন ইংবুডামক ১০-১৫, ১৫-১৯, ২১-৭ গেমত পৰাস্ত কৰে। ইয়াৰ পাছত ডাবলছত স্বৰ্ণৰাজ বৰা আৰু সুৰজ গোৱালাই মণিপুৰৰ ৰিতেশ সিং আৰু ডিকচন সিঙক ১৫-৮, ১৫-৯ গেমত হৰুৱাই ২-১ৰ অগ্ৰগতি লাভ কৰে। ছিংগলছৰ তৃতীয়খন খেলত অসমৰ অৰিজিত চলিহাই মণিপুৰৰ এইছ সিং থমছনক ১৫-৬, ১৫-৬ পোনপটীয়া গেমত পৰাভূত কৰি দলৰ জয় নিশ্চিত কৰে। একেদৰে অসমে মহিলা শাখাৰ ফাইনেলত মিজোৰামক ৩-০ৰ ফলাফলত পৰাস্ত কৰে। ছিংগলছৰ প্ৰথমখন খেলত অসমৰ ময়ূৰী বৰ্মনে মিজোৰামৰ ৰামডিনমাওৱাই চাংটেইক ১৫-৬, ১৫-৬ গেমত আৰু দ্বিতীয়খন ছিংগলছত অস্মিতা চলিহাই লালৰিণ কিমিক ১৬-১৪, ১৫-৮ গেমত পৰাভূত কৰে। ডাবলছত অসমৰ মনালী বৰা আৰু অস্মিতাৰ যুটীটোৱে মিজোৰামৰ লালৰেমপুই আৰু লালৰিনহুই মাৰক ১২-১৫, ১৫-৬, ২১-১১ গেমত পৰাস্ত কৰি বিজয় মুকুট পৰিধান কৰে। ইপিনে জুনিয়ৰ শাখাত ল'ৰা দলে অৰুণাচল প্ৰদেশক ২-০ ফলাফলত আৰু ছোৱালী দলে মিজোৰামক ২-১ ফলাফলত হৰুৱাই খিতাপ দখল কৰে।

০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। লগতে মণিপুৰৰ, নাগালেণ্ড আৰু মিজোৰামৰ ঠাইবিশেষে দুই-এজাক মজলীয়া বৰষুণৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ